# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ১৯০/২০২০

কামৰূপ জিলাৰ কৰ'ণা ভাইৰাছ সংক্ৰমণ প্ৰতিৰোধী ব্যৱস্থাৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰী সোণোৱালে

**ভাৰতীয় খাদ্য নিগমৰ গুদাম আৰু চাংসাৰিৰ ৰেল'ৱে য়াৰ্ড পৰিদৰ্শন কৰিলে মুখ্যমন্ত্ৰীয়ে**

## ৰাজ্য চৰকাৰে ৰেচন কাৰ্ড নথকা দৰিদ্ৰ পৰিয়ালসমূহৰ প্ৰতিগৰাকী সদস্যক প্ৰতিমাহে ৫ কেজিকৈ চাউল যোগান ধৰিব ঃ মুখ্যমন্ত্ৰী

**ভাৰতীয় খাদ্য নিগমৰ গুদামত অহা আঢ়ৈ মাহলৈ ৰাজ্যবাসীক যোগান ধৰিব পৰাকৈ খাদ্য সামগ্ৰী মজুত আছে**

**দিছপুৰ, ২০ এপ্ৰিল ঃ** কৰ'ণা ভাইৰাছ সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰজুৰি ঘোষণা কৰা লক ডাউনৰ সময়ছোৱাত ৰাজ্যৰ এজনো দৰিদ্ৰ লোক যাতে অনাহাৰে থাকিবলগীয়া নহয় সেই দিশৰ প্ৰতি লক্ষ্য ৰাখি অসম চৰকাৰে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনৰ ৰেচন কাৰ্ড নথকা অথচ আৰ্থিকভাৱে দুৰ্বল প্ৰতিটো পৰিয়ালৰ প্ৰতিগৰাকী সদস্যৰ বিপৰীতে প্ৰতি মাহে ৫ কেজিকৈ চাউল যোগান ধৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। আজি ক'ভিড - ১৯ সংক্ৰমণ প্ৰতিৰোধৰ বাবে কামৰূপ জিলা প্ৰশাসনে গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ বুজ লৈ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

আনহাতে লক্-ডাউনৰ সময়ছোৱাত ৰাজ্যত খাদ্য সামগ্ৰীৰ যাতে অভাৱ নঘটে সেয়া তদাৰক কৰিবলৈ মুখ্যমন্ত্ৰী সোণোৱালে আজি ভাৰতীয় খাদ্য নিগমৰ বিষয়াসকলৰ সৈতেও এক বৈঠকত মিলিত হয়। মুখ্যমন্ত্ৰী সোণোৱালে নিগমৰ নুনমাটি আৰু চাংসাৰিৰ গুদামসমূহৰ লগতে চাংসাৰিৰ ৰেল'ৱে য়াৰ্ড পৰিদৰ্শন কৰি মজুত কৰি ৰখা খাদ্য সামগ্ৰীৰ উপলব্ধতা সম্পৰ্কে বুজ লয়। ভাৰতীয় খাদ্য নিগমৰ বিষয়াসকলে মুখ্যমন্ত্ৰী সোণোৱালক অৱগত কৰে যে ভাৰতীয় খাদ্য নিগমৰ অধীনস্থ গুদামসমূহত অহা আঢ়ৈ মাহলৈ ৰাজ্যবাসীক যোগান ধৰিব পৰাকৈ খাদ্য সামগ্ৰী মজুত আছে।

আজি কামৰূপ জিলাৰ উপায়ুক্তৰ আমিনগাঁওস্থিত কাৰ্যালয় সভা কক্ষত অনুষ্ঠিত কৰ'ণা ভাইৰাছ প্ৰতিৰোধী ব্যৱস্থাৰ পৰ্যালোচনা বৈঠকত অংশ লৈ মুখ্যমন্ত্ৰী সোণোৱালে জিলা প্ৰশাসন, চৰকাৰী বিভাগ আৰু জনপ্ৰতিনিধিসকলে সমূহীয়া প্ৰচেষ্টাৰে কাম কৰি এই ভাইৰাছে সৃষ্টি কৰা প্ৰত্যাহ্বান প্ৰতিহত কৰিব লাগিব বুলি কয়। মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ৰাজ্যত অত্যাৱশ্যকীয় সামগ্ৰীৰ যাতে কোনো কাৰণতে অভাৱ নঘটে আৰু যোগান ব্যৱস্থাটো সুচল হয় তাৰ বাবে যোগান বিভাগৰ লগতে কৃষি আৰু পশু পালন বিভাগে যৌথ সহযোগিতা আৰু উদ্ভাৱনীমূলক চিন্তা-চৰ্চাৰে কাম কৰিব লাগিব। প্ৰত্যাহ্বানে নতুন সম্ভাৱনা কঢ়িয়াই আনে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী সোণোৱালে দুৰ্যোগপূৰ্ণ এই সময়ছোৱাত দৰিদ্ৰ তথা সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকসকলৰ লগতে সমাজৰ সকলো স্তৰৰ লোকৰ সহায় হোৱাকৈ যোগান বিভাগক পাইকাৰী ব্যৱসায়ীসকলৰ সৈতে নিয়মীয়াকৈ আলোচনাৰ মাধ্যমেদি অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি নিয়ন্ত্ৰণ কৰাৰ দিশত কাম কৰিবলৈ নিৰ্দেশ দিয়ে।

এই দুৰ্যোগৰ সময়ত ৰাজহুৱা ধন বা খাদ্য সামগ্ৰী আত্মসাৎ কৰা কাৰ্য কোনো কাৰণতে সহ্য কৰা নহ'ব বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী সোণোৱালে আৰক্ষী বিভাগক তেনে ব্যক্তিৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়ে। তদুপৰি এই জটিল সময়ছোৱাত কোনো অসাধু চক্ৰই যাতে চ'ছিয়েল মিডিয়াৰ জৰিয়তে হিংসাৰ বাৰ্তা বিয়পাই সমাজত শান্তি-সম্প্ৰীতি বিনষ্ট কৰিব নোৱাৰে তাৰ বাবে আৰক্ষী বিভাগক চোকা দৃষ্টি ৰাখিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ইতিমধ্যে কাৰ্যকৰী হৈ থকা লক্-ডাউন কিছু শিথিল কৰি কৃষি কৰ্ম কৰিবলৈ ৰাজ্যৰ কৃষকসকলক অনুমতি দিয়া হৈছে। কৃষি কৰ্ম কৰোতে সামাজিক ব্যৱধানৰ নীতি পূৰ্ণৰূপত মানি চলাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে কৰ'ণা ভাইৰাছ নিৰ্মূল কৰিবলৈ কোনো প্ৰতিষেধক বৰ্তমানে আৱিষ্কাৰ নোহোৱাৰ পৰিপ্ৰেক্ষিতত নাগৰিকৰ জীৱন সুৰক্ষাৰ বাবে সামাজিক ব্যৱধান মানি চলাই উত্তম পথ। অনাগত দিনবোৰত খাদ্য সামগ্ৰীৰ যোগান আৰু কৃষি খণ্ডত নতুন প্ৰত্যাহ্বানৰ সৃষ্টি হ'ব বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী সোণোৱালে কৃষি বিভাগৰ ক্ষেত্ৰ পৰ্যায়ৰ বিষয়াসকলক কৃষকৰ সৈতে নিয়মীয়াকৈ মত বিনিময় কৰাৰ উপৰি কৃষি কৰ্ম ত্বৰান্বিত কৰিবলৈ নিৰ্দেশ দিয়ে।

কৰ'ণা ভাইৰাছৰ সংক্ৰমণ প্ৰতিৰোধ কৰি ৰখাৰ ক্ষেত্ৰত সামাজিক ব্যৱধানৰ উপযুক্ত প্ৰয়োগৰ উদ্দেশ্যে ঘৰে ঘৰে শাক-পাচলি, মাছ-মাংস, কণী আদি যোগান ধৰাৰ ব্যৱস্থাক অধিক উৎসাহিত কৰিবলৈ বিক্ৰেতাসকলৰ সৈতে মত-বিনিময় কৰাৰ উপৰি এক কৰ্ম আঁচনি যুগুত কৰিবলৈ মুখ্যমন্ত্ৰী সোণোৱালে কৃষি, পশুপালন, যোগান আৰু মীন বিভাগক নিৰ্দেশ দিয়ে। এই ক্ষেত্ৰত মুখ্যমন্ত্ৰী সোণোৱালে এন এছ এছ, নেহৰু যুৱ কেন্দ্ৰ আৰু আত্ম সহায়ক গোট সমূহৰ সহায় লোৱাৰ বাবেও পৰামৰ্শ দিয়ে। সেইদৰে ভাৰতীয় খাদ্য নিগমৰ গুদামত খাদ্য সামগ্ৰী বোজাই কৰা আৰু নমোৱা কাৰ্যত জড়িত শ্ৰমিকসকলৰ নিয়মীয়া স্বাস্থ্য পৰীক্ষাৰ ওপৰত গুৰুত্ব দিয়াৰ লগতে তেওঁলোকক ব্যক্তিগত স্বচ্ছতা বজাই ৰখাৰ দিশত উপযুক্ত সুবিধা প্ৰদান কৰিবলৈ মুখ্যমন্ত্ৰী সোণোৱালে পৰিবহন বিভাগক নিৰ্দেশ দিয়ে।

সাম্প্ৰতিক পৰিস্থিতিত জনপ্ৰতিনিধি হিচাপে বিধায়কসকলৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী সোণোৱালে অত্যাৱশ্যকীয় সামগ্ৰীৰ যোগান সুচল কৰি ৰখাৰ বাবে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহ সফল কৰি তোলাত জিলা প্ৰশাসনক প্ৰয়োজনীয় দিহা-পৰামৰ্শ দিয়াৰ লগতে এই ক্ষেত্ৰত কোনোধৰণৰ বিসংগতি দেখা পালে তৎকালে প্ৰশাসনৰ দৃষ্টিগোচৰ কৰিবলৈ বিধায়কসকলক আহ্বান জনায়। কামৰূপ জিলাৰ উপায়ুক্তক জৰুৰীকালীন সেৱাত জড়িত সকলো চৰকাৰী বিভাগ আৰু বিধায়কসকলৰ সৈতে নিয়মীয়াকৈ বৈঠক অনুষ্ঠিত কৰি পৰিস্থিতি পৰ্যালোচনা কৰিবলৈও মুখ্যমন্ত্ৰী সোণোৱালে নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে কৰ'ণা ভাইৰাছ সংক্ৰমণৰ আৰম্ভণিৰ সময়ছোৱাত চৰকাৰৰ মনত কিছু সংশয় আছিল যদিও স্বাস্থ্য বিভাগৰ লগতে ৰাজ্য চৰকাৰৰ বিভাগসমূহে যুদ্ধকালীন প্ৰস্তুতিৰে নিজকে সাজু কৰি তোলাৰ পৰিপ্ৰেক্ষিতত অসম চৰকাৰে সফলতাৰে কৰ'ণা ভাইৰাছৰ বিৰুদ্ধে যুঁজ দিবলৈ সক্ষম হৈছে। ইয়াৰ বাবে মুখ্যমন্ত্ৰী সোণোৱালে স্বাস্থ্য মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী পীযুষ

হাজৰিকাৰ লগতে চিকিৎসক, নাৰ্চ আৰু স্বাস্থ্য বিভাগৰ সৈতে জড়িত বিষয়া-কৰ্মচাৰীসকলৰ ভূমিকাৰ শলাগ লয়।

এই পৰ্যালোচনা বৈঠকত অসম চৰকাৰৰ জলসিঞ্চন বিভাগৰ ৰাজ্যিক স্বতন্ত্ৰ মন্ত্ৰী ভবেশ কলিতা, বিধায়কসকল ক্ৰমে ৰেকিবুদ্দিন আহমেদ, সত্যব্ৰত কলিতা, প্ৰণৱ কলিতা, সুমন হৰিপ্ৰিয়া আৰু বিমল বৰা, কামৰূপ জিলাৰ উপায়ুক্ত কমল বৈশ্য, আৰক্ষী অধীক্ষক পাৰ্থ সাৰথি মহন্ত প্ৰমুখ্যে বিভিন্ন চৰকাৰী বিভাগৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰী সোণোৱালে উপায়ুক্তৰ কাৰ্যালয়ৰ চৌহদত সংবাদ মাধ্যমক সম্বোধন কৰে।

বীঃগঃ
২০/৪/২০২০